# জাপানত প্ৰধান মন্ত্ৰীৰ বিশেষ দূত ড.অশ্বিনী কুমাৰৰ ট'কীও ভ্ৰমন

চেপ্তেম্বৰ ১৯,২০১৩

অসামৰিক পাৰমানবিক সহযোগিতা চুক্তি সন্দৰ্ভত চলি থকা আলোচনাৰ সোনকালে সমাধানৰ বাবে ভাৰত আৰু জাপান দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ ।জাপানী বৈদেশিক মন্ত্ৰী ফুমিঅ' কিচিদাই জাপানত প্ৰধান মন্ত্ৰীৰ বিশেষ দূত ড.অশ্বিনী কুমাৰৰ সৈতে অনুষ্ঠিত বৈঠকত তেওঁৰ বিশ্বাস ব্যক্ত কৰি কয় যে দুয়োখন দেশৰ জনসাধাৰনৰ সমৰ্থন দ্বাৰা অতি সোনকালে প্ৰস্তাৱিত চুক্তি খনৰ সমাধান কৰিব পাৰি ।

জাপান সম্ৰাটৰ ৰাজকীয় ভ্ৰমন প্ৰস্তুতি আৰু একে সময়তে প্ৰধান মন্ত্ৰী আবেৰ বাৰ্ষিক শীষ সন্মিলনত অংশগ্ৰহনৰ প্ৰস্তুতি চলাই থকাৰ সময়তে বৈদেশিক মন্ত্ৰী কিচিদাৰ সৈতে অনুষ্ঠিত এই বৈঠকে ভাৰত-জাপানৰ ৰণকৌশল আৰু গোলকীয় অংশীদাৰিক বিষয়ক এক উচ্চ পৰ্যায়ৰ পৰ্য্যালোচনা কৰাৰো এক সুযোগ প্ৰদান কৰিছে । ভাৰত আৰু জাপানৰ মাজত থকা বহু দিশিয় অদ্বিতিয় সম্বন্ধক আৰু অধিক দৃঢ় কৰাৰ বিষয়ত দুয়ো গৰাকী নেতাই সম্পূৰ্ণ সমৰ্থন ব্যক্ত কৰে ।এছিয়াৰ নিয়মিত বিকাশৰ দিশত ভাৰত আৰু জাপানৰ মাজত নিকটতম বাণিজ্যিক সহযোগিতাৰ প্ৰয়োজনিয়তা সন্দৰ্ভত দুয়োপক্ষ ঐক্যমত প্ৰকাশ কৰে ।এই বিষয়ত শেহতীয়া ভাৱে গ্ৰহন কৰা দ্বিপাক্ষীক মুদ্ৰা বিনিময় ব্যৱস্থাক আমেৰিকান ডলাৰ ৫০ বিলিয়নলৈ বিস্তাৰ কৰা সিদ্ধান্তক,দিল্লী-মুম্বাই ফ্ৰেট কৰিডৰ আৰু দিল্লী-মুম্বাই ঔদ্যোগিক কৰিডৰ প্ৰকল্পৰ নিয়মিত প্ৰগতি আৰু ভাৰতত তীব্ৰগতি সম্পন্ন ৰেল প্ৰক্ৰিয়া আৰম্ভ কৰাৰ সন্দৰ্ভত চলি থকা আলোচনাক দুয়োপক্ষই আদৰনি জনাই । সামুদ্ৰিক সুৰক্ষা,সামুদ্ৰিক ডকাইতি বিৰোধ আৰু সন্ত্ৰাসবাদ বিৰোধী ক্ষেত্ৰসমূহত দ্বিপাক্ষীক সুৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ প্ৰগতি সম্বন্ধে ড. কুমাৰে উল্লেখ কৰে । প্ৰধান মন্ত্ৰীক যোৱাকালি সাক্ষাৎ কৰাকে ধৰি উচ্চ পৰ্যায়ৰ কাৰ্য্যসূচী সমুহ চলাই ৰখাৰ ভিতৰত ড. অশ্বিনী কুমাৰে পথ্যৰ( Diet) বৈদেশিক পৰিক্ৰমা কমিটিৰ অধ্যক্ষ কাটচুয়ুকী কাৱাইৰ( Katsuyuki Kawai )নেতৃত্বত অহা এটা জাপানী সাংসদীয় প্ৰতিনিধি দলৰ সৈতেও সাক্ষাৎ কৰে ।যোৱা ২০১৩ চনৰ আগষ্ট

মাহত ভাৰত ভ্ৰমনলৈ অহা সাংসদীয় দলটোক ড.অশ্বিনী কুমাৰে গ্ৰহন কৰিছিল আৰু তেওঁলোকৰ দিল্লী,মোম্বাই আৰু বেংলোৰৰ ভ্ৰমন কালত কৰা সকলো ধৰনৰ ব্যৱস্থা সম্বন্ধে সাংসদ সকলে ভূয়সী প্ৰশংসা কৰি মন্তব্য কৰে যে উক্ত ভ্ৰমনৰ পৰা তেওঁলোকে বহু ধৰনৰ অভিজ্ঞতা অৰ্জন কৰিছে । ড. কুমাৰে অধিক জাপানী কোম্পেনীক ভাৰতৰ গতিশীল বজাৰত প্ৰবেশ কৰাৰ লগতে ডি.এফ.চি আৰু ডি.এম.আই চিৰ( DFC,DMIC ) আন্তগাঠনি ক্ষেত্ৰৰ প্ৰকল্প সমূহৰ প্ৰচুৰ সুবিধা সমূহ গ্ৰহন কৰিবলৈ আহ্বান জনাই ।এই ক্ষেত্ৰত দুয়োপক্ষই ভাৰতীয় আৰু জাপানী কোম্পেনী সমুহে যাতে এজনে আনজনৰ দেশত কাম কৰিব পাৰে তাৰ বাবে সামাজিক সুৰক্ষাৰ দ্বিপাক্ষীক চুক্তি ক্ষীপ্ৰতাৰে আগোৱাই নিবলৈ একমত হয় ।

আজি ড.আশ্বিনী কুমাৰে তেওঁৰ তিনিদিনীয়া ট’কীও ভ্ৰমন কাৰ্য্যসূচী ,আগুন্তুক ৰাজকীয় ভ্ৰমন আৰু প্ৰধান মন্ত্ৰী আবেৰ ভ্ৰমন প্ৰস্তুতিৰ বিষয়সমূহ সন্দৰ্ভত জাপানৰ সৈতে উষ্চপৰ্যায়ৰ মত বিনিময় কৰি তেওঁৰ প্ৰধান মন্ত্ৰীৰ বিশেষ দূত হিচাপে দায়িত্ব পালন কৰি এই ভ্ৰমনৰ সামৰনি মাৰে ।